REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-10-2023
Time : 18-45 Hrs.

**ASSAMESE EVENING BULLETIN**

**::::::::::::::::::::::::::::::::**

**HEADLINES**

১। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮১ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰদান।

২। অমৃত কলহ যাত্ৰাত সংগৃহীত মাটি আজিৰ পৰা পঞ্চায়তৰ পৰা উন্নয়ন খণ্ডলৈ আৰু উন্নয়ন খণ্ডৰ পৰা ৰাজ্যলৈ প্ৰেৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ছিকিমৰ আকস্মিক বানত নিখোজ হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ মৃতদেহ উদ্ধাৰ। ***আৰু***
৪। চেন্নাইত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত অষ্ট্ৰেলিয়াই বিজয়ৰ বাবে ভাৰতক ২০০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ। ০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮১ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ প্ৰদান কৰে। আদিৱাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিৱাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফ'ৰ্চ, আদিবাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফ'ৰ্চৰ প্ৰাক্তন সদস্যসকলক এই ধন প্ৰদান কৰা হয়। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰি অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আদিবাসী চুক্তি অনুসৰি যিসকল কেডাৰ ঘূৰি আহিব বিচাৰে তেওঁলোকক পুনৰ সংস্থাপন দিয়া হ'ব বুলি ঘোষণা কৰে। নিজৰ ব্যৱসায় কৰিব বিচৰাসকলে বেংকৰ পৰা ৩ৰ পৰা ২০ লাখ টকা ঋণ ল'ব পাৰিব বুলিও তেওঁ কয়। ইয়াৰ উপৰি চৰকাৰৰ আন আন আঁচনিসমূহৰো সুবিধাও ল'ব পাৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আদিবাসী শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ পিছতেই ৰাজ্যলৈ শান্তি ঘূৰি আহিছে বুলি উল্লেখ কৰে। আনহাতে আন আন উগ্ৰপন্থীসকলৰ সৈতেও শান্তি আলোচনা চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যত এতিয়া সন্ত্ৰাসবাদ আৰু আন্দোলন নাইকিয়া হোৱাৰ লগতে অৰ্থনৈতিক বিকাশে নতুন দিগন্তৰ সূচনা কৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আদিবাসী সমাজৰ উন্নয়নৰ বাবে আত্মসমৰ্পণকাৰী কেডাৰসকলক গাঁওবাসীৰ হকে কাম কৰিবলৈ আহ্বান জনায়। ৰাজ্যত আদিবাসী আৰু চাহ শ্ৰমিকসকলৰ বাবে ৩০ খন আসন সংৰক্ষণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ পথ নিৰ্মাণৰ বাবে ২০ কোটি টকা আবণ্টন কৰা হৈছে বুলিও ঘোষণা কৰে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বাইহাটাৰ জাঁজীকোণা উন্নয়ন খণ্ডৰ উদ্যোগত বিভিন্ন ৱাৰ্ড আৰু পঞ্চায়তৰ পৰা মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত অমৃত কলহ যাত্ৰাৰ দ্বাৰা সংগৃহীত মাটিসমূহ একত্ৰ কৰি দুটা অমৃত কলহ প্ৰস্তুত কৰে। ইয়াৰে এটা দিল্লীৰ অমৃত উদ্যানলৈ আৰু আনটো গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ বাবে প্ৰেৰণ কৰা হ'ব। আন মাটিসমূহ কমলপুৰ সমষ্টিৰ উন্নয়নমূলক কামত ব্যৱহাৰ কৰা হ'ব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এখন জনসভাত সম্বোধন কৰে। ইয়াৰ লগতে তেওঁ বিহদিয়া জাঁজীকোনা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এম জি এনৰেগা আঁচনিৰ অধীনত এটি বিশেষ কেন্দ্ৰৰ উদ্বোধন কৰে। অমৃত কলহ যাত্ৰাত অংশগ্ৰহণকাৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, আজিৰে পৰা নতুন পৰ্যায়ত দুটা কলহত মাটি সংগ্ৰহ কৰি পঞ্চায়তৰ পৰা উন্নয়ন খণ্ডলৈ আৰু উন্নয়ন খণ্ডৰ পৰা ৰাজ্যলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে তেওঁ অসমৰ অৰুণোদয় আঁচনিৰ আৰ্হি কৰ্ণাটক আৰু মধ্যপ্ৰদেশে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে।

এই কাৰ্যসূচীত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক দিগন্ত কলিতাৰ লগতে প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

ooooo

ছিকিমৰ আকস্মিক বানত নিখোজ হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ডাৱৰ বিস্ফোৰণ ফলত সৃষ্টি হোৱা বানৰ পাছতেই পৰিয়ালৰ সৈতে মিতু কলিতাৰ ˉ সংযোগ বিচ্ছিন্ন হৈছিল। মিতু কলিতাৰ মৃতদেহ উদ্ধাৰৰ পিছতেই আনন্দ বজাৰৰ বাসগৃহত শোকাকুল পৰিবেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে, মিতু কলিতা আলিপুৰদুৱাৰত কৰ্মৰত আছিল। তেওঁ বিভাগীয় নিৰ্দেশ অনুসৰি ছিকিমলৈ গৈছিল, কিন্তু ছিকিমৰ আকস্মিক বানত প্ৰাণ হেৰুৱাব লগীয়া হয়। জোৱানজনৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ  সমবেদন জ্ঞাপন কৰিছে।

oooo

যোৰহাটত আজি জলসিঞ্চন মন্ত্ৰী অশোক সিংহালে "জৈৱ খননৰ জৰিয়তে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনাৰ পুনৰ সংস্থাপন" প্ৰকল্পৰ শুভাৰম্ভ কৰে। মন্ত্ৰী সিংহালে ভাষণ প্ৰসংগত কয় যে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনা পৰিস্কাৰ কৰাটো এক প্ৰকাৰ পাহাৰ পৰিস্কাৰ কৰাৰ দৰেই। তথাপি এখন স্বচ্ছ অসম গঢ়ি তুলিবলৈ চৰকাৰ সদায়ে বদ্ধপৰিকৰ। এনে ধৰণৰ আৱৰ্জনাই ৰাইজৰ স্বাস্থ্য তথা পৰিবেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, জৈৱ খননৰ বৈজ্ঞানিক প্ৰক্ৰিয়াই আৱৰ্জনাসমূহৰ খনন, জৈৱ সংশোধন, পৃথকীকৰণ আৰু নিৰাপদ তথা বহনক্ষম নিষ্কাষণ সুনিশ্চিত কৰে। আজিৰ এই অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকে।

oooo

ইউনেস্ক'ৰ এজনীয়া প্ৰতিনিধি লিম ছিং লিয়াঙে আজি চৰাইদেউ জিলাৰ মৈদামস্থলীৰ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰে। ইয়াৰ পিছতেই চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্ত তথা শিৱসাগৰ জিলা আয়ুক্তৰ সৈতে প্ৰতিনিধিগৰাকীয়ে মত বিনিময় কৰে। দ্বিতীয় দিনৰ ভ্ৰমণকালত তেওঁ ক'ৰ জ'নত থকা পুৰাতত্ব সঞ্চালকালয় অসম আৰু কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ মৈদামসমূহ পৰিদৰ্শন কৰাৰ লগতে চৰাইদেউ মৈদামক্ষেত্ৰৰ কিছু

নিলগত থকা আদৰ্শ গাঁও ভ্ৰমণ কৰে। প্ৰতিনিধিগৰাকীয়ে কাইলৈ মৈদামথলীৰ বাফাৰ জ'ন পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ লগত মত বিনিময় কৰি ৰাওনা হ'ব।

oooo

মেৰি মাটি, মেৰা দেশ কাৰ্যসূচীৰ অধীনত মহানগৰীৰ লতাশিল খেলপথাৰৰ পৰা গুৱাহাটী পৌৰ নিগমৰ উজান বজাৰ কাৰ্যালয়লৈ আজি অমৃত কলহ শোভাযাত্ৰা উলিওৱা হয়। হৰিনামৰ ধ্বনি, বিহুৰে উলিওৱা এই শোভাযাত্ৰাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মেয়ৰ মৃগেন শৰণীয়াকে ধৰি অন্যান্য পাৰিষদ আৰু ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, মহানগৰৰ ৬০ টা ৱাৰ্ডৰ পৰা মাটি ভৰ্তি ৬০ টা অমৃত কলহ পুৰা লতাশিল খেলপথাৰলৈ অনা হয়। ইয়াৰ পিছতেই কলহসমূহৰ মাটি একেলগে মিহলি কৰি দুটাকৈ পিতলৰ কলহত ভৰোৱা হয়। লতাশিল খেলপথাৰৰ পৰা এই কলহ দুটাৰে শোভাযাত্ৰা কৰি পৌৰ নিগমৰ কাৰ্যালয়ত ৰখা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ো অমৃত কলহ যাত্ৰাৰ সৈতে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ দৰ্শন নিহিত হৈ আছে বুলি প্ৰকাশ কৰে। ইপিনে কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া উন্নয়ন খণ্ডৰ অধীনত গাঁও পঞ্চায়তসমূহৰ পৰা অনা মাটি অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মাৰ উপস্থিতিত মিহলি কৰি দুটাকৈ পিতলৰ কলহত ভৰাই উন্নয়ন খণ্ড কাৰ্যালয়ত ৰখা হয়। উল্লেখযোগ্য যে, পৌৰ নিগম আৰু উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা কলহসমূহ অহা ২৫ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ অনা হ'ব। ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ পিছতে ২৭ অক্টোবৰত কলহসমূহ নতুন দিল্লীলৈ লৈ যোৱা হ'ব।

চৰাইদেউ জিলাত হলৌ ফুকন গাঁও পঞ্চায়তত অমৃত কলহ যাত্ৰাত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে তেওঁ ২২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া হলৌ ফুকন গাঁও পঞ্চায়তৰ গৃহৰ উদ্বোধন কৰে। আনহাতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনাৰ অধীনত হিতাধিকাৰীক মালবাহী বাহন প্ৰদান কৰে।

ইফালে, বৰপেটা পৌৰসভাতো অমৃত কলহ যাত্ৰাৰ  পৌৰসভা আৰু খণ্ড উন্নয়ন পৰ্যায়ৰ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। যোৱা ২ অক্টোবৰত ৱাৰ্ড আৰু গাঁওবোৰত ঘৰে ঘৰে সংগ্ৰহ কৰা মাটিৰ দুটাকৈ কলহ পৌৰসভা দুখনৰ কাৰ্যালয়লৈ অনা হয়। এনেদৰেই সকলো পৌৰসভা আৰু পঞ্চায়ত কাৰ্যালয়বোৰৰ পৰা লৈ অনা কলহবোৰৰ মাটি মিহলাই সেই মাটি আন দুটা কলহত ভৰোৱা হয়। এই কলহ জিলা আয়ুক্ত কাৰ্যালয়ত জমা ৰখা হয়।

আনহাতে তিনিচুকীয়া, মাজুলী, ৰঙিয়া, হাইলাকান্দিতো আজিৰ পৰা খণ্ড পৰ্যায়ত অমৃত কলহ যাত্ৰা অনুষ্ঠিত হৈছে।

oooo

তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰুপণ কোষ আৰু ইলোৰা বিজ্ঞান মঞ্চৰ যৌথ উদ্যোগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ লগতে স্বাস্থ্যজনিত সমস্যা আৰু পৰিত্ৰাণ সন্দৰ্ভত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। ছাত্ৰীসকলৰ বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যা, হৃদৰোগৰ পৰা মুক্ত হৈ থকাৰ বাবে প্ৰয়োজনীয় উপায়, মানসিক স্বাস্থ্য আৰু সমস্যাৰ বিষয়ে অনুষ্ঠানত বিস্তৃতভাৱে আলোচনা কৰা হয়।

০০০০

কাৰ্বি আংলঙ স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে জিলাখনৰ ডকমকাত স্থাপন কৰা কাৰ্বি পৰম্পৰাগত নৃত্য, গীত আৰু বাদ্যযন্ত্ৰ বিদ্যালয়ৰ আজি আধাৰশিলা স্থাপন কৰে। কাৰ্বি আংলঙৰ জিলা স্বায়ত্ত শাসিত পৰিষদৰ কলা আৰু সাংস্কৃতিক বিভাগে নিৰ্মাণ কৰিবলগীয়া এই বিদ্যালয়ত পৰম্পৰাগত কাৰ্বি নৃত্য আৰু গীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ইতিমধ্যে ২০ গৰাকী যুৱক-যুৱতীয়ে নামভৰ্তি কৰা বুলি বিষয়াসকলে জানিবলৈ দিয়ে।

০০০০

আজাৰা আৰক্ষীয়ে আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ সমীপত এটা ভাড়াঘৰত অভিযান চলাই নকল টকা প্ৰস্তুত কৰা মেচিনসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে জালুকবাৰীৰ প্ৰিয়ংকা দাস আৰু চিলাপথাৰৰ দেৱজিত দাসৰ পৰা ৫৫ হাজাৰ টকাৰ জাল নোট জব্দ কৰাৰ লগতে জাল নোট সৰবৰাহত ব্যৱহাৰ হোৱা এখন বাহন জব্দ কৰিছে।

০০০০

চীনত অনুষ্ঠিত ১৯ সংখ্যক এচিয়ান গেমছৰ আজি অন্তিম দিন। কোভিদ-১৯ৰ বাবে এবছৰ পলমকৈ অনুষ্ঠিত হোৱা এই খেলত ৪৫খন দেশৰ ১২ হাজাৰ ৪০৭ গৰাকী খেলুৱৈয়ে ৪০খন খেলত অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰীয় ধবজা বহন কৰে হকী খেলুৱৈ পি আৰ শ্ৰীজেছ। সামৰণি অনুষ্ঠানত চীনৰ প্ৰধানমন্ত্ৰী লী কিয়াং উপস্থিত থাকে। প্ৰতিযোগিতাখনত ভাৰতীয় দলটোৱে ২৮টা স্বৰ্ণপদক, ৩৮টা ৰূপৰ পদক আৰু ৪১ ব্ৰঞ্জৰ পদক সহ সৰ্বমুঠ ১০৭টা পদক লাভ কৰে। ২০১৮ চনত জাকাৰ্টাত অনুষ্ঠিত হোৱা পূৰ্বৰ সংস্কৰণত ভাৰতে মাত্ৰ ৭০টা পদক লাভ কৰিছিল। ভাৰতে অলিম্পিক, কমলৱেলথ গেমছ্ আৰু এচিয়ান গেমছৰ যি কোনো এখন প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ১০১ টাৰো অধিক পদক পাবলৈ সক্ষম হৈছে।

০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ২০০ ৰানৰ লক্ষ্য বান্ধি দিছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু ৪৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ১০ অভাৰত ২৮ ৰান দি ৩টা উইকেট দখল কৰে।

কালি সন্ধিয়া নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ১০২ ৰানত পৰাস্ত কৰে। ধৰ্মশালাত অনুষ্ঠিত আন এখন খেলত বাংলাদেশে আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰে।

০০০০

সমগ্ৰ দেশৰ লগতে অসমতো ২ অক্টোবৰত জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তী উদ্যাপন, অসম ১০০ শতাংশই মুকলিত মল ত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত অভিলাষী ৰাজ্য হিচাপে পৰিগণিত হোৱা বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য, ৰাজ্য চৰকাৰৰ এক লাখ চাকৰি প্ৰদান কাৰ্যসূচীৰ অধীনত দ্বিতীয়

পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া অতি সোনকালে মুকলিকে ধৰি বিভিন্ন খবৰে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

সমগ্ৰ দেশৰ লগতে অসমতো ২ অক্টোবৰত জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত জাতিৰ পিতা গৰাকীৰ জয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ জনসাধাৰণৰ হৈ জাতিৰ পিতাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত সেই স্থানতে এখন সৰ্বধৰ্ম প্ৰাৰ্থনাসভাৰো আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মানৱ জীৱনলৈ দিয়া শ্ৰেষ্ঠতম বাণী নিজৰ জীৱনতো প্ৰয়োগ কৰি মহামানৱ মহাত্মা গান্ধীয়ে যি আদৰ্শ দেখুৱাই থৈ গৈছে, সেয়া বিশ্ববাসীৰ বাবে অমল প্ৰেৰণাৰ উৎস। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

ooo

অসম ১০০ শতাংশই মুকলিত মল ত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত অভিলাষী ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অলপতে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী চিন্তা আৰু নেতৃত্বৰ ফলত অসমে স্বচ্ছতাৰ ক্ষেত্ৰত নতুন শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে এই সফলতাৰ বাবে সকলো জিলাকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, নিৰলস প্ৰচেষ্টাৰ ফলত অসমৰ ২৫ হাজাৰ ৪৩৭খন গাঁও মুকলিত মল ত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত হিচাপে অভিলাষী শাখাত অন্তৰ্ভুক্ত হৈছে।

ooooo

চৰকাৰে পদ্ধতিগতভাৱে এখন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীক নিজৰ দেশ আৰু ঐতিহ্যৰ প্ৰতি দায়বদ্ধ হ'বলৈ উৎসাহিত কৰাটো অনাশৈক্ষিক কাৰ্যসূচী নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দৃঢ়তাৰে প্ৰকাশ কৰিছে। অমৃত বৃক্ষ, অমৃত কলহ, লাচিত বৰফুকন সম্পৰ্কীয় ৰচনা, পোষণ সপ্তাহ আদি অনাশৈক্ষিক কামকাজত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰোৱা সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি সন্দৰ্ভত আজি শিক্ষা মন্ত্ৰী গৰাকীয়ে নিজৰ স্থিতি স্পষ্ট কৰি এইদৰে কয়। তেওঁ কয় যে, বৰ্তমানৰ বিদ্যাৰ্থীসকল ভাৰতবৰ্ষৰ স্বাধীনতাৰ অমৃত কালৰ সন্তান আৰু সেয়েহে ২০৪৭ চনত দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত আছে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, নৈতিকতা, দেশপ্ৰেম, মানৱতা আৰু জাতি প্ৰেম বিহীন তথা নিজৰ মাটি আৰু ঐতিহ্যক চিনি নোপোৱা শিক্ষিত ব্যক্তি গঢ়ি তোলাৰ পৰিৱৰ্তে মূল্যবোধ সম্পন্ন নাগৰিক সমাজ তথা দেশৰ বাবে অতি প্ৰয়োজনীয়। বিদ্যাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লক্ষ্যৰে বিদ্যায়তনিক পাঠ্যক্ৰমৰ সমান্তৰালভাৱে এনে ধৰণৰ কাৰ্যসূচীসমূহ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

oooooo

এম আৰ এন এ প্ৰযুক্তিৰ কোভিড প্ৰতিষেধক বিকশাই তোলাৰ বাবে শৰীৰ তত্ত্ব নাইবা ভেষজ বিজ্ঞানত দুগৰাকী বিজ্ঞানীলৈ চলিত বছৰৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। অধ্যাপক কেটেলিন কেৰিক' আৰু ড্ৰু ৱেইছমেনে যুটীয়াভাৱে এই পুৰস্কাৰ লাভ কৰিছে। কোভিড মহামাৰীৰ পূৰ্বে পৰীক্ষামূলকভাৱে এই প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছিল যদিও সম্প্ৰতি কৰ্কট ৰোগকে ধৰি অন্যান্য ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এই

প্ৰযুক্তি ব্যৱহাৰৰ বাবে গৱেষণা চলি আছে। পেন্সিলভেনিয়া বিশ্ববিদ্যালয়ৰ দীৰ্ঘ দিনৰ সহকৰ্মী হাংগেৰীৰ কেৰিক আৰু আমেৰিকাৰ ৱেইছমেনে তেওঁলোকৰ গৱেষণাৰ বাবে ইতিপূৰ্বে বিভিন্ন বঁটা লাভ কৰিছে।

০০০০০০

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে পুনৰ চলোৱা অভিযানত এই পৰ্যন্ত এহেজাৰৰো অধিক অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি বাল্য বিবাহৰ ঘটনাত গ্ৰেপ্তাৰৰ সংখ্যা এহেজাৰ ৩৯ লৈ বৃদ্ধি পাইছে।

০০০০

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ৭১০টা গোচৰ ৰুজু কৰি ৯১৫ টা অভিযুক্তক আটক কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে অলপতে এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে, এই গোচৰসমূহ POCSO আইনৰ অধীনত গোচৰসমূহ ৰুজু কৰা হৈছে। চলিত বছৰৰ জুনৰ মাহৰ পৰা ৰাজ্যত বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আৰম্ভ হৈছে বুলি তেওঁ কয় যে, এই ব্যাধি অসমৰ পৰা নাইকিয়া কৰিবলৈ এই অভিযান চলিছে।

০০০০

শিক্ষা সেতুত শিক্ষক আৰু ছাত্ৰৰ সবিশেষ সন্নিৱিষ্ট নকৰা বিদ্যালয় প্ৰধানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশ অমান্য কৰা প্ৰধান শিক্ষকৰ ছেপ্তেম্বৰ মাহৰ দৰমহা বন্ধ কৰা হ'ব বুলি জাননীটোত কোৱা হৈছে। ইপিনে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিদ্যালয়ত শৈক্ষিক আৰু অনাশৈক্ষিক দুয়োটা বিষয়ত গুৰুত্ব দিয়া হৈছে বুলি এখন সংবাদ মেলত প্ৰকাশ কৰে। শিক্ষকসকলক অনাশৈক্ষিক কাৰ্যসূচীত নিয়োজিত কৰা সন্দৰ্ভত উঠা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে শিক্ষাৰ্থীসকলক ভৱিষ্যতে সুনাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অনা শৈক্ষিক বিষয়ৰ গুৰুত্ব আছে বুলি উল্লেখ কৰে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অলপতে স্বাধীনতা সংগ্ৰামৰ মহান শ্বহীদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত অহা বছৰৰ কনকলতা বৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষে এটা ডাক টিকট মুকলি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি কনকলতা বৰুৱা সংগ্ৰহালয়, প্ৰতিমূৰ্তি নিৰ্মাণ আৰু গহপুৰ থানাৰ পুনৰ নিৰ্মাণৰ নক্সা প্ৰস্তুতৰ লগত সংগ্ৰহালয়টো নিৰ্মাণৰ বাবে ভূমিদান বিষয়টো শ্বহীদগৰাকীৰ পৰিয়ালৰ লগত আলোচনা কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশনা প্ৰদান কৰে।

০০০০

সমাপ্ত